**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-08 -2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

-------------------

১।	দুটা ভিন্ন ধৰ্মৰ ব্যক্তিৰ মাজত ভূমি ক্ৰয় বিক্ৰয়ৰ নতুন এছ্ অ’ পিত অসম মন্ত্ৰীসভাৰ অনুমোদন।

২।	উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৮ ছেপ্তেম্বৰৰ পৰিৱৰ্তে ১৩ ছেপ্তেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ।

৩।	ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বিত্ত মন্ত্ৰালয়ৰ **সুধাকণ্ঠ বিশেষ** স্মৃতি মুদ্ৰা জাৰি কৰাৰ বাবে গেজেট অধিসূচনা জাৰি।

৪।	উচ্ছেদ অবিহনেই নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ প্ৰায় ২৮ বিঘা চৰকাৰী ভূমি দখলমুক্ত। ***আৰু***

৫।	অসম পুৰুষ ক্ৰিকেট দল আৰু নেপালৰ পুৰুষ এ-দলৰ মাজত কাইলৈৰ পৰা ৫ খন বন্ধুত্বমূলক টি-২০ খেলৰ আয়োজন।

০০০০

অসম মন্ত্ৰীসভাই দুটা ভিন্ন ধৰ্মৰ ব্যক্তিৰ মাজত ভূমি ক্ৰয় বিক্ৰয়ৰ নতুন বিশেষ কাৰ্যবিধি অৰ্থাৎ এছ্ অ’ পিত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিশপুৰত আয়োজিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত তেওঁ এইকথা প্ৰকাশ কৰে। ড০ শৰ্মাই কয় যে এতিয়াৰে পৰা অন্য ধৰ্মৰ লোকক ভূমি ক্ৰয়-বিক্ৰয় কৰাৰ ক্ষেত্ৰত আৰক্ষীৰ অনুমোদনৰ প্ৰয়োজন হ’ব। তেওঁ লগতে কয় যে ভূমি বিক্ৰীৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয়টো গুৰুত্ব আৰোপ কৰা হ’ব। ভূমি ক্ৰয় কৰা বা বিক্ৰী কৰা লোকৰ আয়ৰ উৎসৰ ওপৰতো দৃষ্টি ৰখা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আনহাতে, একে ধৰ্মৰ লোকৰ মাজত ভূমিৰ বেচা কিনাৰ ক্ষেত্ৰত নতুন এছ্ অ’ পি প্ৰযোজ্য নহয় বুলি তেওঁ কয়। ৰাজ্যৰ বাহিৰৰ এন জি অ’ই ভূমি ক্ৰয়ৰ ক্ষেত্ৰতো এই নীতি প্ৰযোজ্য হ’ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

আজিৰ বৈঠকত অসম উদ্যানশস্য উন্নয়ন লিমিটেডৰ কৰ্মচাৰীসকলক স্বেচ্ছামূলক অৱসৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে মন্ত্ৰীসভাই ৬ কোটি টকা মঞ্জুৰি দিয়ে। বৈঠকত লগতে ৪ টা বিনিয়োগৰ প্ৰস্তাৱতো অনুমোদন জনোৱা হয়।

বিটিচি নিৰ্বাচনৰ নিৰ্বাচনী অধীসূচনাৰ বাবে সৰুসজাইত হৈ যোৱা ঝুমইৰ বিনন্দিনীত অংশ লোৱা শিল্পীসকলক অহা ১২ অক্টোবৰত মাননী প্ৰদান কৰাত মন্ত্ৰীসভাই অনুমোদন জনায়।

ইপিনে, উপৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ৮ ছেপ্তেম্বৰৰ পৰিৱৰ্তে ১৩ ছেপ্তেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ আহিব বুলি সংবাদ মেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ১৩ ছেপ্তেম্বৰত সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত অংশ লব। নিশাটো গুৱাহাটীত কটাই তেওঁ ১৪ ছেপ্তেম্বৰত নুমলিগড় আৰু মঙলদৈত আয়োজিত কাৰ্যসূচীত অংশ ল’ব।

০০০০

ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বিত্ত মন্ত্ৰালয়ে সুধাকণ্ঠ বিশেষ এশ টকাৰ মূল্যৰ এটি স্মৃতি মুদ্ৰা জাৰি কৰাৰ বাবে গেজেট অধিসূচনা জাৰি কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত দিয়া

এটা বাৰ্তাযোগে এই কথা প্ৰকাশ কৰে। তেওঁ এই পদক্ষেপৰ বাবে কেন্দ্ৰীয় চৰকাৰক অসমবাসী ৰাইজৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০

ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সদৌ অসম ছাত্ৰ সন্থাই বছৰজোৰা বিভিন্ন কাৰ্যসূচী আয়োজনৰ সিদ্ধান্ত লৈছে। গুৱাহাটীত অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সভাত কালি এই সন্দৰ্ভত পৰিকল্পনা যুগুত কৰা হয়। ছাত্ৰ সন্থাই ইয়াৰে কেতবোৰ কাৰ্যসূচী ড০ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সৈতে যৌথভাৱে ৰূপায়ণ কৰিব। এই উপলক্ষে আজি শ্বহীদ ন্যাসত আয়োজিত এখন সংবাদমেলত মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ উপস্থিতিত সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে তেওঁলোকৰ কাৰ্যসূচী সম্পৰ্কে অৱগত কৰে। এই অনুসৰি ৮ ছেপ্তেম্বৰত ৰাজ্যৰ প্ৰতিখন জিলাৰ সদৰত জিলা ছাত্ৰ সন্থাসমূহে পুৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিব। এই অনুষ্ঠানত ১০০ গৰাকী ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, শিল্পীকে ধৰি অন্যান্য লোকসকলে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাব। সন্ধিয়াৰ ভাগত আঞ্চলিক ছাত্ৰ সন্থাই নিজ নিজ অঞ্চলত ৰাইজৰ সহযোগত বন্তি প্ৰজ্বলন কৰিব। প্ৰতিবছৰৰ দৰে এইবাৰো দীঘলীপুখুৰীৰ পাৰত ড০ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিস্থলীত সন্ধিয়া **উদ্দীপনা** শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই অনুষ্ঠানত প্ৰতিখন জিলাৰ একোখন নিৰ্বাচিত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী, বিশ্ববিদ্যালয় আৰু যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী তথা গুৱাহাটী মহানগৰীৰ কেইবাখনো মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীসকলে ড০ ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰিব। ছাত্ৰ সন্থাই শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি এখন স্মাৰক গ্ৰন্থও প্ৰকাশ কৰিব বুলি আজিৰ সংবাদমেলতে উল্লেখ কৰে।

০০০০

নগাঁওৰ জিলা প্ৰশাসনে ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত বটদ্ৰৱা আৰু আলিটাঙনি মৌজাৰ প্ৰায় ২৮ বিঘা চৰকাৰী ভূমি দখলমুক্ত কৰা হৈছে বুলি ঘোষণা কৰিছে। চৰকাৰী ভূমিত অবৈধভাৱে বসবাস কৰা লোকসকলৰ বিৰুদ্ধে আজি উচ্ছেদ অভিযান চলোৱাৰ ব্যৱস্থা কৰা হৈছিল। ৰাজ্য চৰকাৰৰ নিৰ্দেশনা অনুসৰি জিলা প্ৰশাসনে অবৈধ দখলকাৰীক ভূমি খালী কৰাৰ বাবে জাননী জাৰি কৰিছিল। জিলা প্ৰশাসনৰ আহ্বানক সহাৰি জনাই একাংশ অবৈধ দখলকাৰীয়ে নিজে ঘৰ দুৱাৰসমূহ অন্য ঠাইলৈ গুচি যোৱাৰ ফলত প্ৰশাসন উচ্ছেদ চলোৱাৰ পৰা বিৰত থাকে। এই সন্দৰ্ভত ধিং ৰাজহ চক্ৰ বিষয়া সৌৰভ কুমাৰ দাসে এইদৰে কয়।

**বাইট - সৌৰভ কুমাৰ দাস**

ধিং ৰাজহ চক্ৰৰ আন ৭ খন গাঁৱৰ এহেজাৰ ৪৭ বিঘা চৰকাৰী ভূমিত দ্বিতীয় পৰ্যায়ত উচ্ছেদ অভিযান চলোৱা হ'ব বুলি ৰাজহচক্ৰ বিষয়াগৰাকীয়ে জানিবলৈ দিছে। বালিসত্ৰ, ডুমডুমীয়া বজাৰ, আহোমগাওঁ, ৰাজাবাৰী গ্ৰাণ্ট, ৰৌমাৰী বিল, লহকৰঘাট আৰু বটামাৰী ৰিজাৰ্ভৰ প্ৰায় ৭০০ পৰিয়ালক উচ্ছেদ কৰাৰ সম্ভাৱনা আছে বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। ইপিনে, বিশ্বনাথ জিলা প্ৰশাসনে ননকে জাপৰিগুৰিত অবৈধভাৱে দখল কৰা ১৭৫ বিঘা ভিজিআৰ ভূমি পুনৰ উদ্ধাৰ কৰাৰ পাছত এম জি এনৰেগা ২০২৫-২৬ ৰ অধীনত গছপুলি ৰোপণ আৰু ৱায়াৰ ফেন্সিং আৰম্ভ কৰিছে।

০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হয়। এই উপলক্ষে আজি গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গণেশ মন্দিৰসমূহত পুৱাৰে অগণন ভক্তৰ সমাগম পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ গণেশগুৰি, লতাশিল, নিউ গুৱাহাটী, পাঞ্জাবাৰী আৰু বীৰকুচিৰ গণেশ মন্দিৰত সিদ্ধিদাতাৰ আশীষ বিচাৰি ভক্তসকলে ভিৰ কৰে। মন্ত্ৰী পিযুষ হাজৰিকাই গণেশগুৰিৰ প্ৰসিদ্ধ গণেশ মন্দিৰত আশীষ গ্ৰহণ কৰি ৰাজ্যবাসীৰ কুশল কামনা কৰে।

শিৱসাগৰতো আজি পৰম্পৰাগত ৰীতি-নীতিৰে গণেশ পূজা পালন কৰা হৈছে। জিলাখনৰ বাবুপট্টিৰ সাৰ্বজনীন পূজা কমিটীৰ উদ্যোগত কালিৰেপৰা দুদিনীয়াকৈ আয়োজন কৰা শিৱৰ আৰ্হিৰ মুখাৰে নিৰ্মাণ কৰা গণেশ পূজা মণ্ডপ চাবলৈ যথেষ্ট লোকৰ সমাগম পৰিলক্ষিত হৈছে।

ফটাশিল জি এম চি নিউ কলনীত ড° বি আৰ আম্বেডকাৰ আৰু তেলেগু এছ'চিয়েচন অসমে গণেশ চতুৰ্থী উপলক্ষে ৪১ ফুট উচ্চতাৰ গণেশৰ এটা বৃহৎ মৃন্ময় মূৰ্তি সাজি উলিয়াইছে। গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ শ্ৰীশ্ৰীলংকেশ্বৰ ধামৰ নামনিত থকা গণেশ মন্দিৰতো উলহ মালহেৰে গণেশ চতুৰ্থী উদ্‌যাপন কৰা হয়।

শিলচৰৰ বিভিন্ন প্ৰান্ততো পৰম্পৰাগত ৰীতি নীতিৰে গণেশ পূজাৰ আয়োজন কৰা হয়। শিলচৰৰ সোণাই ৰোড সাৰ্বজনীন গণেশ পূজা সমিতিয়ে এইবাৰ ৩ দিনীয়া কাৰ্যসসূচীৰে গণেশ পূজাৰ আয়োজন কৰিছে। পূজা সমিতিয়ে এইবাৰ প্ৰায় ১০ লাখ টকা ব্যয়েৰে অপাৰেছন সিন্দূৰ বিষয়বস্তুৰে আটক ধুনীয়া মণ্ডপ সাজি উলিয়াইছে। গোৱালপাৰা জিলাতো আজি ৰীতি-নীতিৰে গণেশ পূজা অনুষ্ঠিত হয়। হাতী মানুহৰ সংঘাত ৰোধ কৰাৰ লক্ষ্যৰে লক্ষীপুৰ অঞ্চলৰ মেধিপাৰা গাওঁত ৰাজহুৱাভাৱে গণেশ চতুৰ্থী পালন কৰা হয়।

০০০০

গাৰোসকলৰ প্ৰথমগৰাকী ৰাজনৈতিক নেতা, স্বাধীনতা সংগ্ৰামী সোনাৰাম আৰ চাংমাৰ ১০৯ সংখ্যক স্মৃতি দিৱস আজি গোৱালপাৰা জিলাৰ বাক্ৰাপুৰত পালন কৰা হয়। সোনাৰাম আৰ চাংমা মেম'ৰিয়েল ট্ৰাষ্ট ছ'চাইটীৰ উদ্যোগত আৰু গাৰো ছাত্ৰ সন্থাৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে আয়োজিত এই অনুষ্ঠানত বিধানসভাৰ উপাধ্যক্ষ ড০ নোমল মমিন আৰু ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। তেওঁলোকে স্বাধীনতা সংগ্ৰামীগৰাকীৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি অৰ্পণৰ লগতে তেওঁৰ কৃতি আৰু আদৰ্শৰ স্মৃতিচাৰণ কৰে। ডা০ পেগুৱে সোনাৰাম আৰ চাংমাৰ স্মৃতিত জনজাতি কল্যাণ বিভাগৰ পুঁজিৰে ১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালক বিৰল ৰোগৰ চিকিৎসাৰ সৰ্বোৎকৃষ্ট কেন্দ্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। ঐতিহ্যমণ্ডিত অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালক বিৰল ৰোগৰ চিকিৎসাৰ সৰ্বোৎকৃষ্ট কেন্দ্ৰৰূপে স্বীকৃতি প্ৰদান কৰাৰ ফলত চিকিৎসা মহাবিদ্যালয়খনে সমগ্ৰ দেশৰ চিকিৎসা ক্ষেত্ৰখনত নিজৰ নাম উজ্বলাই তুলিবলৈ সমৰ্থ হৈছে। অসম চিকিৎসা মহাবিদ্যালয় উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম আৰু দেশৰ ১৫ খন উৎকৃষ্ট কেন্দ্ৰৰ ভিতৰত এখন হিচাপে পৰিগণিত হোৱাৰ লগতে ই চিকিৎসা সেৱা আৰু গৱেষণাৰ ক্ষেত্ৰখনত নতুন মাত্ৰা প্ৰদান কৰিলে। এনে সাফল্যৰ বাবে চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাকে ধৰি সকলো অধ্যাপক-অধ্যাপিকাই আনন্দ প্ৰকাশ কৰিছে।

০০০০

বৰপেটা জিলাৰ হস্ততাঁত আৰু হস্তশিল্প খণ্ডৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ লগত জড়িত উদ্যোগী আৰু শিল্পীসকলক আগবঢ়াই নিয়াৰ লক্ষ্যৰে আজি এখন কৰ্মশালা অনুষ্ঠিত হয়। উদ্যোগ বিভাগৰ সহযোগত আয়োজন কৰা এই কৰ্মশালাৰ জৰিয়তে ২৫০ গৰাকী উদ্যোগী তথা শিল্পীক হস্ততাঁত আৰু হস্তশিল্প খণ্ডত সফলতাৰ দিশত আগবঢ়াই নিয়াৰ প্ৰয়াস কৰা হ'ব। বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিগন্ত বৈশ্য, জিলা উদ্যোগ আৰু বাণিজ্য বিভাগৰ মহাপ্ৰৱন্ধক অৰূপ কুমাৰ ডেকাই উদ্যোগী আৰু শিল্পীসকলক চৰকাৰী আঁচনিৰ সুবিধা গ্ৰহণ কৰি কেনেদৰে আগবাঢ়ি যাব পাৰি সেই বিষয়ে অৱগত কৰে।

০০০০

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আজি ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ সঞ্চালকালয়ৰ অতিৰিক্ত কৰ আয়ুক্ত ছাকিল ছাদুল্লাৰ হাতীগাঁৱৰ বাসগৃহত অভিযান চলায়। আয়তকৈ অধিক সম্পত্তি অৰ্জনৰ অভিযোগৰ ভিত্তিত তদাৰকী কোষে পুৱাৰে পৰা

অভিযান চলাই অতিৰিক্ত কৰ আয়ুক্তগৰাকীৰ বাসগৃহৰ পৰা কেতবোৰ গুৰুত্বপূৰ্ণ নথি-পত্ৰ জব্দ কৰে। বিষয়াগৰাকীক বৰ্তমান মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ কাৰ্যালয়ত জেৰা চলাই থকা হৈছে।

০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত বালিজান চাহ বাগিচাৰ বহুকেইটা পৰিয়ালৰ বাসগৃহ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। এই পৰিয়ালকেইটাৰ পুনৰ সংস্থাপন সন্দৰ্ভত আজি চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাই ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতিত চাহ বাগিচাখনৰ কৰ্তৃপক্ষ তথা চাহ মজদুৰ সংঘ আৰু চাহ জনজাতি ছাত্ৰ সন্থাৰ সৈতে আলোচনাত মিলিত হয়। বাগিচাৰ বজাৰগৃহত সম্প্ৰতি আশ্ৰয় লৈ থকা পৰিয়ালকেইটাক শীঘ্ৰে নিৰ্দিষ্ট ঠাইত সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ বিধায়কগৰাকীয়ে বাগিচা কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০

মৰিগাওঁৰ জিলা কাৰাগাৰৰ পৰা যোৱা ২০ আগষ্টত পলায়ন কৰা দুজন কয়দীক কালি কৰ্ণাটকত পুনৰ গ্ৰেপ্তাৰ কৰা হয়। মৰিগাওঁ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত কৰ্ণাটকৰ আৰক্ষীৰ সহযোগত অসম আৰক্ষীৰ দলটোৱে পলাতক জিয়াৰুল ইছলাম আৰু সুব্ৰত সৰকাৰক গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে কয়দী দুজনক পকচো গোচৰত আদালতে ২০ বছৰৰ কাৰাদণ্ড বিহিছিল।

০০০০

ধুবুৰী জিলাৰ গোলকগঞ্জত জেহাদী সংগঠনৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত এজন শিক্ষকক আটক কৰা হৈছে। বাংলাদেশৰ জামাদী ইছলামী নামৰ সংগঠনটোৰ সৈতে জড়িত থকাৰ অভিযোগত গোলকগঞ্জ আৰক্ষীয়ে লক্ষীমাৰী মজলীয়া বিদ্যালয়ৰ শিক্ষক শ্বাহ আলম সৰকাৰক আটক কৰে। বিদ্যালয়খনৰ আন এজন শিক্ষক হজৰত আলী বৰ্তমানলৈ পলাতক হৈ আছে। পলাতক হজৰত আলীৰ সন্ধানত গোলকগঞ্জ আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

০০০০

অসম পুৰুষ ক্ৰিকেট দল আৰু নেপালৰ পুৰুষ এ-দলৰ মাজত কাইলৈৰ পৰা ৫ খন বন্ধুত্বমূলক টি-২০ খেল অনুষ্ঠিত হ'ব। ১ ছেপ্তেম্বৰলৈকে হ'বলগীয়া খেলকেইখন গুৱাহাটী বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়াম আৰু ফুলুংস্থিত এ চি এ ক্ৰিকেট একাডেমী খেলপথাৰত অনুষ্ঠিত হ'ব। এই শৃংখলাটোৱে ভাৰত আৰু নেপালৰ মাজত থকা ক্ৰীড়া সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। সুমিত ঘড়িগাৱকাৰক অসমৰ দলৰ ৰ নেতৃত্ব প্ৰদান কৰা হৈছে। নেপালৰ দলটো ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে আৰু আজি দলটোৱে বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুশীলন কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ